দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...ম বছৰ, সংখ্যা ৫৫ ● দেওবাৰ ● ১৫ কাতি ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday November 2, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ

...যয়টো পৰিচালক আৰু ...তত সহকাৰী পৰিচালকৰ ...থকা অৱস্থাত সদৌ অসম তিনিচুকীয়া জিলা সমিতিৰ ...সহকাৰী সম্পাদক বিপুল ...নিক সম্পাদক বিক্ৰম থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসহ ...লৈ মাতি নি প্ৰায় চাৰি ঘণ্টা কৰাইছে এৰি দিয়ে। উক্ত ঘটনা সন্দৰ্ভত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কাকতলৈ প্ৰেৰণ কৰা এটা বিবৃতিত কোনোবা অদৃশ্য শক্তিৰ নিৰ্দেশত ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে এনে কাৰ্য কৰিছে বুলি সন্দেহ প্ৰকাশ কৰি উক্ত দুৰ্ভাগ্যজনক কাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে এনে কাৰ্যৰ পুনৰাবৃত্তি নকৰিবলৈ সকলো পক্ষকে সকীয়াই দিছে।

## ...য়ন্তী বৰ্ষত নিতাইপুখুৰীৰ ...সিক পদুমণি ৰাসমঞ্চ

### ...ৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে

...নৱেম্বৰ ঃ শিৱসাগৰ ...তিহাসিক পদুমণি ...ৰ্ষত উপনীত হৈছে। ...মৰণী অনুষ্ঠান আৰু ...নৱেম্বৰত পদুমণি ...াৰ্যসূচী অনুসৰি ৫ ...পৰিৱেশ নিকাকৰণ, ...ত অসমীয়াৰ হিয়াৰ ... কেইবাজনো লোক উপস্থিত থাকিব। মঞ্চ উদ্বোধনৰ পাছতে শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন হ'ব। দ্বিতীয়দিনা আইনামৰ পাছতে ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। দুপৰীয়া কাৰ্যকৰ্তা আৰু শিল্পী সন্মিলন অনুষ্ঠিত হ'ব। সন্ধিয়া ৰাসোৎসৱৰ মঞ্চ মুকলি কৰিব অসম চৰকাৰৰ গৃহ নিৰ্মাণ বিভাগৰ উপাধ্যক্ষ সুভাষ দত্তই। বিশিষ্ট অতিথি হিচাপে বিশিষ্ট সমাজকৰ্মী কন্দৰ্প সাগৰ দিহিঙীয়া, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাকে ধৰি ...

## কানৈ মহাবিদ্যালয়ত শব্দ নিৰাময় যোগভ্যাস

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১ নৱেম্বৰ ঃ সাম্প্ৰতিক সময়ত শব্দ নিৰাময় যোগভ্যাস (শব্দৰ দ্বাৰা চিকিৎসা) সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। প্ৰাচীন আৰু প্ৰাকৃতিক এই চিকিৎসা পদ্ধতি শব্দ, সংগীত, যন্ত্ৰ বা সুনিৰ্দিষ্ট কম্পনৰ সহায়ত দেহ, মন আৰু আত্মাৰ সমন্বয় ঘটাই শৰীৰ সন্তুলন কৰি ৰখা হয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই শব্দ নিৰাময় যোগভ্যাস কৰ্মশালা উদ্বোধন কৰি ইয়াৰ উপকাৰিতা সম্পৰ্কত এইদৰে কয়। অধ্যক্ষগৰাকীয়ে আজি পুৱা ৫.৩০ বজাতে মহাবিদ্যালয় চৌহদত অনুষ্ঠিত হোৱা এক কৰ্মশালাত কয় যে শব্দৰ নিৰাময় যোগভ্যাসৰ যোগেদি মানসিক শান্তি, মানসিক চাপ আৰু উত্তেজনা হ্ৰাস, উৎকৃষ্ট নিদ্ৰা, মনোযোগ আৰু স্মৃতি শক্তি বৃদ্ধি, শৰীৰৰ শক্তিৰ সমতুল্য, দুখ আৰু যন্ত্ৰণা হ্ৰাস, আত্মিক উন্নতি সাধন কৰি ৰক্ত চাপৰ গতি নিয়ন্ত্ৰণ কৰে। আগন্তুক পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাৰ্থীসকলৰ মন সুস্থিৰ আৰু সজীৱ হ'বলৈ পোন প্ৰথমবাৰৰ বাবে শব্দৰ দ্বাৰা চিকিৎসা কৰ্মশালা আয়োজন কৰা হয়। হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগ আৰু ৰুক্মিণীদেৱী কানৈ ছাত্ৰী নিৱাসৰ যুটীয়া উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত শব্দ নিৰাময় যোগভ্যাসৰ প্ৰশিক্ষণ প্ৰদান কৰি যোগ গুৰু নিৰ্মল কুমাৰে কয়— এক মন-নিৰাময় প্ৰক্ৰিয়া যাৰ জৰিয়তে আমাৰ মন আৰু শৰীৰ দুয়োটাই উন্নতি আৰু শিথিলতা অনুভৱ কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, যোগ কেন্দ্ৰৰ প্ৰশিক্ষিকা চয়নিকা গগৈকে ধৰি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

